REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 03-10-2023
Time : 1800 Hrs.

**ASSAMESE EVENING BULLETIN**

অসম আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে পুনৰ চলোৱা অভিযানত এই পৰ্যন্ত এহেজাৰৰো অধিক অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা অনুসৰি বাল্য বিবাহৰ ঘটনাত গ্ৰেপ্তাৰৰ সংখ্যা এহেজাৰ ৩৯ লৈ বৃদ্ধি পাইছে। উল্লেখযোগ্য যে যোৱা নিশাৰ পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলা আৰক্ষীৰ বিশেষ অভিযানত এইসকল অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি ধুবুৰীত ১৯০ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ ভিতৰত ধুবুৰী সদৰ আৰক্ষী থানা এলেকাৰ পৰা ৩৫ জনক আৰু গোলকগঞ্জৰ পৰা ৪২ জনক গ্ৰেপ্তাৰ কৰা হৈছে। একেদৰে বিলাসীপাৰা থানা এলেকাৰ পৰা ৩৬ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। কামৰূপ জিলাৰ হাজো আৰক্ষীয়ে অঞ্চলটোৰ বিভিন্ন স্থানৰ পৰা কালি ৮ জন লোকক আৰু ৰঙিয়া মহকুমাৰ বিভিন্ন অঞ্চলৰ পৰা ৫ জনক গ্ৰেপ্তাৰ কৰে। বৰপেটাৰ বিভিন্ন স্থানৰ পৰা ১৪২ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ ভিতৰত যোৱানিশা বৰপেটা, বৰপেটা ৰোড, তাৰাবাৰী, সৰ্থেবাৰী আৰু কলগাছিয়া থানা আৰক্ষীয়ে ৭৬ জন লোকক গ্ৰেপ্তাৰ কৰে। কৰিমগঞ্জতো ৪৯ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাত আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে অভিযান চলাই যোৱানিশা ৩৯ জন লোকক গ্ৰেপ্তাৰ কৰিছে। ইপিনে, চিৰাং জিলাৰ আৰক্ষীয়ে এই অভিযানত ১০ জন লোকক গ্ৰেপ্তাৰ কৰিছে। মৰিগাঁও জিলাৰ বিভিন্ন স্থানত আৰক্ষীয়ে যোৱানিশা অভিযান চলাই বাল্য বিবাহৰ সৈতে জড়িত ৭ জন লোকক গ্ৰেপ্তাৰ কৰে। ইপিনে, দৰং জিলাত মঙলদৈ আৰক্ষীয়ে এই সন্দৰ্ভত দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশনা অনুসৰি দেৰগাঁও আৰক্ষীয়ে অভিযান চলাই যোৱানিশা তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। এই অভিযোগত নলবাৰী জিলাতো নলবাৰী আৰক্ষীয়ে ১০ জন লোকক গ্ৰেপ্তাৰ কৰিছে। কোকৰাঝাৰ জিলাত আৰক্ষীয়ে বাল্য বিবাহ বিৰোধী অভিযানত ২৪ জন লোকক গ্ৰেপ্তাৰ কৰে।

০০০০০০০

অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই আজি চুক্তি সম্পৰ্কীয় কাম তথা প্ৰকল্পৰ সম্পাদনৰ সৈতে জড়িত বিভাগীয় বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। খিলঞ্জীয়া লোকৰ ভূমিৰ অধিকাৰ, নুমলীগড় শোধনাগাৰ সম্প্ৰসাৰণ প্ৰকল্প, ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তত কাঁইটীয়া বেৰ দিয়া সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ স্থিতি, ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়াক বাধ্যতামূলক বিষয় হিচাপে ৰখা সন্দৰ্ভতো বৈঠকত আলোচনা হয়। ইপিনে, অসম চুক্তিৰ দফাসমূহৰ ফলপ্ৰসু ৰূপায়ণৰ বাবে গঠন কৰা উপ-সমিতিখনে যাতে ক্ষীপ্ৰতাৰে চূড়ান্ত প্ৰতিবেদন দাখিল কৰিব পাৰে তাৰ বাবে সংশ্লিষ্ট বিভাগসমূহৰ পৰা প্ৰয়োজনীয় সকলো সহযোগিতা আগবঢ়াবলৈ বিষয়াসকলক মন্ত্ৰী শ্ৰী বৰাই আহ্বান জনায়। আজিৰ এই বৈঠকত অসম চুক্তি ৰূপায়ণ বিভাগৰ সচিব জি এছ পানেচৰ, গৃহ আৰু ৰাজনৈতিক পৰিক্ৰমা বিভাগৰ সচিব পাৰ্থপ্ৰতিম মজুমদাৰকে ধৰি বহুকেইজন শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০০০

মেৰি মাটি মেৰা দেশ কাৰ্যসূচীৰ অধীনত অমৃত কলহ যাত্ৰাৰ অংশ হিচাপে **শোণিতপুৰ** জিলাৰ বালিপৰা উন্নয়ন খণ্ডৰ মানশিৰি পঞ্চায়তৰ প্ৰতিখন গাঁৱৰ প্ৰতিটো পৰিয়ালৰ পৰা সংগ্ৰহ কৰা মাটি আজি পঞ্চায়ত কাৰ্যালয়লৈ লৈ যোৱা হয়। এই কাৰ্যসূচীত বিধায়ক কৃষ্ণ কমল তাঁতী আৰু এছ এছ বিৰ বিষয়াসকলে মাটিসমূহ মিহলি কৰে। ইয়াৰ লগতে পঞ্চপ্ৰণ, মিট্টিগীত আদি পৰিৱেশন কৰা হয়। **তেজপুৰ** বিধানসভা সমষ্টিৰ অন্তৰ্গত অমৃত কলহ যাত্ৰাৰ অংশ হিচাপে আজি বেচেৰিয়া গাঁও পঞ্চায়তৰ ১৪ খন গাঁও পঞ্চায়তৰ ৰাইজে কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত বিধায়ক পৃথ্বিৰাজ ৰাভাও উপস্থিত থাকে। **চৰাইদেউ** জিলাত এই কাৰ্যসূচীৰ অংশ হিচাপে চলাপথাৰ গাঁও পঞ্চায়ত আৰু চেপন গাঁও পঞ্চায়ত এলেকাত সংগ্ৰহ কৰা মাটিভৰ্তি কলহসমূহ আজি গাঁও পঞ্চায়ত কাৰ্যালয়ত কৰ্তৃপক্ষক অৰ্পণ কৰা হয়। সংগ্ৰহ কৰা মাটি লৈ উলিওৱা শোভাযাত্ৰাত ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহনে অংশগ্ৰহণ কৰে। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে **মাৰ্ঘেৰিটা**টো অমৃত কলহ যাত্ৰা কাৰ্যসূচীৰ অংশ হিচাপে মাটি মিহলি কৰি কলহত ভৰাই শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছতে শামুকজান গাঁও পঞ্চায়তৰ উদ্যোগত এখন সভা অনুষ্ঠিত হয়।

০০০০০০০

ৰাজ্য চৰকাৰে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ শিল্পী পেঞ্চন আঁচনিৰ হিতাধিকাৰী নিৰ্বাচনৰ বাবে শিল্পীসকলৰ পৰা প্ৰয়োজনীয় প্ৰমাণপত্ৰসহ আবেদন আহ্বান কৰিছে। এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে প্ৰকাশ কৰা জাননী অনুসৰি কাইলৈ পুৱা ১০ বজাৰ পৰা অনলাইন আবেদন কৰিব পাৰিব। সাংস্কৃতিক সঞ্চালকালয়ৰ ৱেবচাইট www.directorculture.assam.gov.in আৰু www.silpisanmanassam.comত অনলাইন আবেদন কৰিব পাৰিব বুলি সাংস্কৃতিক সঞ্চালকালয়ে জানিবলৈ দিছে। অনলাইন আবেদন দাখিল কৰা অন্তিম দিন হৈছে ৩ নৱেম্বৰ।

০০০০০০০০০

সমাপ্ত